# অসম বিধান সভা
# ২০২৬ চনৰ ০৮ জুলাইত উত্তৰ দিবলগীয়া
# মৌখিক প্ৰশ্ন নং – ৪১

**বিষয়ঃ জলবিদ্যুৎ প্ৰকল্প সম্পৰ্কে**

**ডঃ জয় প্ৰকাশ দাস, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) গেৰুকামুখত নিৰ্মিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পৰা নামনি অংশত নদীখনৰ দুয়োফালে সংঘটিত হৈ থকা তীব্ৰ গৰাখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত নে?

খ) যদি অৱগত হয়, তেন্তে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কি কি অঞ্চলত বৰ্তমানলৈকে কাম সম্পন্ন কৰিছে আৰু কি কি অঞ্চলত এতিয়াও গৰাখহনীয়া প্ৰতিৰোধৰ কাম কৰিবলগীয়া আছে?

গ) এই গৰাখহনীয়া প্ৰৱল অঞ্চলসমূহত প্ৰতিৰোধমূলক ব্যৱস্থাৰ ক্ষেত্ৰত কোনখিনি কাম NHPC কৰ্তৃপক্ষই সম্পন্ন কৰিব আৰু কোনখিনি কাম জলসম্পদ বিভাগে সম্পন্ন কৰিব?

ঘ) উক্ত কামসমূহ কেতিয়াৰ ভিতৰত সম্পন্ন কৰা হ'ব, জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) জলসম্পদ বিভাগে গেৰুকামুখত নিৰ্মিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পৰা নামনি অংশত নদীখনৰ দুয়োফালে সংঘটিত হৈ থকা গৰাখহনীয়াৰ বিষয়ে অৱগত হয়।

খ) সোৱণশিৰি নদীৰ দুয়োপাৰে চলি থকা খহনীয়া প্ৰতিৰোধৰ বাবে জল সম্পদ বিভাগে লক্ষীমপুৰ জল সম্পদ সংমণ্ডলৰ তৰফৰ পৰা মুঠ ৫.৮৮৩ কিঃ মিঃ আৰু NHPC ৰ জৰিয়তে ৪৫.০৮০ কিঃ মিঃ অঞ্চলত বিভিন্ন শিতানৰ আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও মুঠ ১১.১৩ কিঃ মিঃ খহনীয়া প্ৰৱণ এলেকাত খহনীয়া প্ৰতিৰোধৰ কাম প্ৰয়োজন আছে। উক্ত কামৰ বিতং তথ্য **Annexure-I** ত দাখিল কৰা হ'ল।

ইয়াৰ উপৰিও, ধেমাজি জল সম্পদ সংমণ্ডলৰ তৰফৰ পৰা তলত উল্লেখ কৰা কাম সমূহ কৰা হয়-

- ২০২৫-২৬ বৰ্ষত Eco Resort Camp ৰ ওচৰত প্ৰায় ৩০০ মিঃ এলেকাত Flood Fighting Material ৰ দ্বাৰা ২৫০০ টা PSC Porcupine ব্যৱহাৰ কৰা হয়।

- ২০২৬-২৭ বৰ্ষত উক্ত অঞ্চলত হোৱা খহনীয়া প্ৰতিৰোধৰ বাবে ১৫০০ টা বালি ভৰ্ত্তি Mega Bag, ৩০০০ টা বালি ভৰ্ত্তি Type-A Geo-bag, ৩৫০০ টা বালি ভৰ্ত্তি EC Bag, ৩১৫০ বঃ মিঃ Geofabric Sheet ব্যৱহাৰ কৰা হয়।

গ) গেৰুকামুখত নিৰ্মিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পৰা নামনি অংশত নদীখনৰ দুয়োফালে সংঘটিত হৈ থকা গৰাখহনীয়াৰ প্ৰতিৰোধৰ বাবে জল সম্পদ বিভাগ তথা NHPC ৰ জৰিয়তে বৰ্ত্তমানলৈ মুঠ ৫০.৯৬৩ কিঃ মিঃ অঞ্চলত বিভিন্ন শিতানৰ আঁচনি গ্ৰহণ কৰা হৈছে।

বাকী থকা খহনীয়া প্ৰৱল অঞ্চলসমূহত ল'ব লগীয়া প্ৰতিৰোধমূলক আঁচনিৰ বাবে প্ৰয়োজনীয় জৰীপৰ কাম চলি আছে আৰু অনতিপলমে বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰা হ'ব। আঁচনি প্ৰস্তুত কৰি যাবতীয় প্ৰশাসনিক অনুমোদন তথা বিত্তীয় অবণ্টন সাপেক্ষে আঁচনি খন ৰূপায়ণৰ বিষয়ে চৰকাৰে বিবেচনা কৰিব।

ঘ) উপৰোক্ত উত্তৰ সাপেক্ষে জলসম্পদ বিভাগে সোৱণশিৰি নদীৰ দুয়োপাৰে বাকী থকা অংশৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থাৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিব। প্ৰয়োজন আৰু চৰকাৰৰ অনুমোদনৰ ভিত্তিত পৰ্য্যায়ক্ৰমে কাম সম্পন্ন কৰা হ'ব।

(প্ৰশ্ন উত্তৰৰ সৈতে **Annexure-I** অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

***********************

Annexure-I

# Erosion reaches of Subansiri river

| Sl. No. | Left Bank | | | | | | Right Bank | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | Executed NHPC | | Executed WRD | | Required | | Executed NHPC | | Executed WRD | | Required | |
| | Reach length (m) | Location | Reach length (m) | Location | Reach length (m) | Location | Reach length (m) | Location | Reach length (m) | Location | Reach length (m) | Location |
| 1 | 3300 | Dirpai | 655 | Acherakata | 400 | Pabha Tekeli (Ghunasuti) | 1000 | Pathalipam | 1000 | Katori Chapori | 550 | No.3 Mohaijan (Ghunasuti bridge) |
| 2 | 3700 | No.1 & 2 Sunapur | 650 | Baligaon | 1300 | Naharani | 7000 | No.2 & 3 Katori Chapori | 1168 | Maghuachuk | 1400 | No.1 Mohaijan |
| 3 | 3200 | Katori Chapori | | | 750 | Balibheta | 900 | Hekerajan | 1025 | Ghancharai | 2000 | Kahiduar Alichiga |
| 4 | 5900 | Tengakhat, Bhimpara Chapari, Goroimari | | | 400 | Major Chapori | 1000 | Chamardubi | 1385 | Dhunaguri | | |
| 5 | 2000 | No.1 Gereki | | | 1230 | Gowalbari Extension | 3000 | Badhakara | | | | |
| 6 | 1000 | No.2 Gereki | | | 800 | Baligaon | 2000 | Badhakara | | | | |
| 7 | 900 | No.1 Bamunijan | | | 800 | Baligaon | 1600 | Ghagar | | | | |
| 8 | 1900 | Roumari, Kalioni Naharani | | | 1500 | Aunibari | 800 | No.3 Mohaijan | | | | |
| 9 | 920 | Naharani Bilotia | | | | | 900 | Sumdirimukh | | | | |
| 10 | 860 | Acherakata | | | | | 500 | No.3 Na-Ali Koibarta | | | | |
| 11 | 700 | Baligaon | | | | | 1000 | No.1 Na-Ali Koibarta | | | | |
| 12 | 1000 | Mudoibeel, Khabolu | | | | | | | | | | |
| | **25380** | | **1305** | | **7180** | | **19700** | | **4578** | | **3950** | |

Total AE works executed by NHPC = 45,080.00 m
Total AE works executed by WRD = 5,883.00 m
Total AE Works required at present = 11,130.00 m

9/7/26
Chief Engineer
Water Resources Department
AWC, Basistha, Guwahati-29